# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 02-August-2026
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*
### HEADLINES (6.00 PM)
::::::::::::::::::

১। রাজ্যৰ ৭ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও প্লাৱিত। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি ডিব্ৰুগড়ৰ খহনীয়া ক্ষতিগ্ৰস্ত স্থান পৰিদৰ্শন।

২। বান বিধ্বস্ত অঞ্চলৰ শিক্ষাৰ্থীসকলৰ সমস্যাৰ সমাধান সন্দৰ্ভত আলোচনাৰ বাবে আজি শিক্ষামন্ত্ৰীৰ উপস্থিতিত পৰ্যালোচনা বৈঠক।

৩। ২০২৭ বৰ্ষৰ লোকপিয়লৰ স্ব-গণনা আজি আৰম্ভ। জিলাই জিলাই স্ব-গণনা প্ৰক্ৰিয়া অব্যাহত।

**আৰু**

৪। মাধৱদেৱ বিশ্ববিদ্যালয় দেশৰ ৫০ খন সেউজ বিশ্ববিদ্যালয়ৰ তালিকাত স্থান লাভ।

০০০০০০

রাজ্যৰ বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও ৭ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানত বুৰ গৈ আছে। ইয়াৰে গোলাঘাট, শিৱসাগৰ, চৰাইদেউ, বজালী, ধেমাজি, শোণিতপুৰ আৰু যোৰহাট জিলাৰ ভালেমান অঞ্চল এতিয়াও বানৰ কবলত আছে। এই বানত ৩৪৯ খন গাঁৱৰ ১৭ লাখ ৮ হাজাৰ ৮৩৭ জন লোক প্ৰভাৱিত হৈছে। তদুপৰি ১৫ হাজাৰ ৬০ হেক্টৰ কৃষিভূমি পানীৰ তলত আছে। সাম্প্ৰতিক বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৮২ হৈছেগৈ। অৱশ্যে বানত কালি কোনো লোকৰ মৃত্যু হোৱাৰ তথ্য লাভ কৰা হোৱা নাই।

ইপিনে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড় জিলাৰ চাবুৱা, বালিজান, পুখুৰীজান, দিনজান আৰু ৰহমৰীয়াৰ খহনীয়া ক্ষতিগ্ৰস্ত অঞ্চল পৰ্যবেক্ষণ কৰি সামগ্ৰিক পৰিস্থিতিৰ বুজ লয়। সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে কয়, যে আই আই টিৰ অধ্যাপক, বিশেষজ্ঞৰ সৈতে বৈঠক অনুষ্ঠিত কৰি খহনীয়া ৰোধ কৰাৰ বাবে পৰিকল্পনা যুগুত কৰা হ'ব। খহনীয়া ৰোধৰ বাবে ইতিমধ্যে ৯০ কোটি টকাৰ এখন আঁচনি যুগুত কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

**বাইট (চি এম)**

মন্ত্ৰী অতুল বৰাৰ নেতৃত্বত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ এটা দলে উজনি অসমৰ বানত ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ ক্ষয়-ক্ষতিৰ বুজ লৈছে। দলটোৱে পৰিদৰ্শনকালত বানৰ ফলত ক্ষতি হোৱা বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ মূল্যায়ন কৰে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। কৃষি বিভাগে বান ক্ষতিগ্ৰস্ত জিলাসমূহত ধানৰ বীজ ৰোপণ, কঠিয়া প্ৰদানকে ধৰি বিভিন্ন ব্যৱস্থা অব্যাহত ৰাখিছে। কৃষি মন্ত্ৰী পীযুষ হাজৰিকাই আজি মাহমৰাৰ ঘিলাগুৰিত ট্ৰেক্টৰৰে হাল বাই কঠিয়া ৰোপণ কৰে।

০০০০০০০

ৰাজ্যৰ বানবিধ্বস্ত অঞ্চল সমূহৰ শিক্ষাৰ্থীসকলে সন্মুখীন হোৱা সমস্যাকে ধৰি তেওঁলোকৰ শৈক্ষিক জীৱন বাধাগ্ৰস্ত নোহোৱাটো সুনিশ্চিত কৰাৰ হকে বিভিন্ন বিষয় আলোচনা কৰাৰ উদ্দেশ্যে আজি ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন নিগমৰ কাৰ্য্যালয়ত এখন পৰ্য্যালোচনামূলক বৈঠক অনুষ্ঠিত হয়। শিক্ষামন্ত্ৰী ৰনোজ পেগুৱে এই কথা সদৰি কৰি কয় যে ৰাজ্যৰ বান প্ৰভাৱিত জিলাসমূহৰ শিক্ষাৰ্থীসকলক বিনামূলীয়া পাঠ্যপুথি যোগান ধৰাৰ বাবে অতিৰিক্ত কিতাপ-পত্ৰ শীঘ্ৰেই ছপা কৰি উলিওৱাৰ ব্যৱস্থা কৰা হৈছে। বান প্ৰভাৱিত অঞ্চলৰ শিক্ষাৰ্থী সকলৰ শৈক্ষিক জীৱনত কোনো বাধা আহি নপৰাটো সুনিশ্চিত কৰাত চৰকাৰে অগ্ৰাধিকাৰ দিয়া বুলি তেওঁ প্ৰকাশ কৰে।

ooooo

উজনি অসমৰ শিৱসাগৰ, চৰাইদেউকে ধৰি জিলাকেইখনত অভাৱনীয় বান পৰিস্থিতিৰ সন্মুখীন হোৱা জনসাধাৰণৰ সহায়ৰ বাবে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণ, দল-সংগঠন, স্বেচ্ছাসেৱী সংস্থাৰ লগতে দেশ-বিদেশৰ বিভিন্ন লোক আৰু সংস্থাইও সহযোগিতা আগবঢ়াইছে। আজি বানপীড়িত ৰাইজৰ বাবে সাহায্য বিচাৰি চলচ্চিত্ৰ সমাজ অসম, কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন, অভিনয়া, জুবিন গাৰ্গ অনুৰাগী সমাজকে ধৰি কেইবাটাও সংস্থাৰ সদস্যই গুৱাহাটীত জনসংযোগ যাত্ৰা উলিয়ায়। তেওঁলোকে সুৰ বাহিনীৰূপে বেলতলা বজাৰৰ পৰা জয়ানগৰ চাৰিআলি হৈ ছয়মাইল উৰণ সেতুৰ তলত দান-বৰঙণি সংগ্ৰহ কৰে। প্ৰয়াত শিল্পী জয়ন্ত হাজৰিকা আৰু জুবিন গাৰ্গৰ আদৰ্শেৰে ওলাই অহা এই দলটোত ৰাজ্যৰ কেইবাগৰাকীও অভিনয় শিল্পী, সংগীত শিল্পী আৰু কলা-কুশলীয়ে অংশগ্ৰহণ কৰে। দলটোৰ সদস্য গৰিমা শইকীয়া গাৰ্গে কয়, যে ৮ আগষ্টত বানপীড়িত অঞ্চলৰ জনসাধাৰণৰ সাহায্যৰ বাবে চিকিৎসক, নাৰ্ছ, চিকিৎসাকৰ্মীকে ধৰি ৪০ জনীয়া এটা বৃহৎ দল ৰাওনা হ'ব। ৯ৰ পৰা ১১ আগষ্টলৈ তেওঁলোকে বান ক্ষতিগ্ৰস্ত অঞ্চলত চিকিৎসা শিবিৰ মুকলি কৰিব। কাইলৈ দলটোৱে জালুকবাৰীত বান সাহায্য সংগ্ৰহ কৰিব।

শিৱসাগৰ নগৰৰ সমীপৰ বেতবাৰী অঞ্চলৰ বান ক্ষতিগ্ৰস্ত লোকসকলৰ ঘৰ-দুৱাৰৰ লগতে ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানত আজি নৰ্থ-ইষ্ট ফাউণ্ডেচন নামৰ সংস্থাটোৱে ছাফাই অভিযান চলায়। সংস্থাটোৰ লোকসকলে বাসগৃহত জমা হোৱা বোকা, পলস আদি আতঁৰোৱাৰ ব্যৱস্থা কৰে। উল্লেখযোগ্য যে পঞ্জাৱৰ কেইবাটাও স্বেচ্ছাসেৱী সংস্থাই ক্ষতিগ্ৰস্ত জিলাকেইখনত সাহায্য প্ৰদানৰ লগতে পৰিৱেশ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰাত সহায় কৰিছে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বহুলোকে স্বেচ্ছাই এই অঞ্চলসমূহত সহযোগ আগবঢ়াইছে। ডিব্ৰুগড়ৰ বুমণি গগৈ নামৰ এজন যুৱকে নিজে সাজি উলিওৱা নাৱৰ সহায়ত দূৰৈৰ পৰা বানত বুৰ গৈ থকা অঞ্চলত সাহায্য আগবঢ়াবলৈ যোৱা লোকক সহায় আগবঢ়াইছে।

ooooooooo

২০২৭ বৰ্ষৰ লোকপিয়লৰ স্ব-গণনা আজি আৰম্ভ হৈছে। এই স্ব-গণনা প্ৰক্ৰিয়াৰ অহা ১৬ আগষ্টত সামৰণি পৰিব। ইয়াৰ পাছত চৰকাৰীভাৱে নিয়োগ কৰা গণনাকাৰীসকলে স্ব-গণনাৰ তথ্যসমূহ পৰীক্ষাৰ বাবে প্ৰতিটো বাসগৃহত উপস্থিত হ'ব। ডিজিটেল পদক্ষেপৰ জৰিয়তে লোকপিয়ল ২০২৭ত জনগণনাৰ তথ্য প্ৰতিগৰাকী নাগৰিকে নিজৰ সুবিধাজনক সময়ত অনলাইনযোগে দাখিল কৰাৰ সুযোগ লাভ কৰিব। এই প্ৰক্ৰিয়াত ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। জনসাধাৰণে se.census.gov.in প'ৰ্টেলত গৈ নিজৰ ম'বাইল নম্বৰ ব্যৱহাৰ কৰি অটিপিৰ জৰিয়তে লগ ইন কৰিব লাগিব। প্ৰতিদিনে পুৱা ৬ বজাৰ পৰা মাজনিশা পৰ্যন্ত খোলা থকা এই প'ৰ্টেলত অসমীয়া, ইংৰাজী, আদিকে ধৰি অন্যান্য ১৪টা ভাষাত নাগৰিকসকলে তথ্যসমূহ পূৰাব পাৰিব।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি আৰম্ভ হোৱা এই অনলাইন স্ব-গণনা প্ৰক্ৰিয়াত সকলোকে অংশ ল'বলৈ আহ্বান জনাইছে।

বিত্ত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি নিজা বাসগৃহত স্ব-গণনা প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি কৰি জনসাধাৰণক এই প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে কয়, যে অনলাইন স্ব-গণনা সহজেই কৰিব পাৰি।

চৰকাৰী প’ৰ্টেলত স্মাৰ্টফোন, লেপটপ বা ইণ্টাৰনেট ব্যৱহাৰকাৰী যিকোনো আহিলাৰ দ্বাৰা এই কাম কৰিব পাৰি বুলি তেওঁ কয়।

**বাইট (জয়ন্ত মল্লবৰুৱা)**

০০০০০০০

ৰাজ্যৰ অগ্ৰণী শিক্ষা প্ৰতিষ্ঠান মাধৱদেৱ বিশ্ববিদ্যালয়ে দেশৰ শীৰ্ষৰ ৫০ খন সেউজ বিশ্ববিদ্যালয়ৰ ভিতৰত স্থান লাভ কৰিছে। বিশ্ববিদ্যালয়খনে চলিত বৰ্ষৰ ৰাষ্ট্ৰীয় সেউজ বিশ্ববিদ্যালয়ৰ তালিকাত ৫০ সংখ্যক স্থান লাভ কৰাৰ জৰিয়তে ৰাজ্যখনৰ উচ্চ শিক্ষাখণ্ডত হোৱা গুৰুত্বপূৰ্ণ অগ্ৰগতি প্ৰতিফলিত হৈছে। এই সাফল্যই স্থায়ীত্ব, জলবায়ু অনুকূল কাৰ্য্যপন্থা তথা পৰিৱেশৰ প্ৰতি দায়িত্বশীল প্ৰাংগন গঢ়ি তোলাৰ প্ৰতি ৰাজ্যৰ প্ৰতিশ্ৰুতি দৃষ্টিগোচৰ হোৱাৰ সমান্তৰালকৈ সেউজ উচ্চ শিক্ষাখণ্ডত উত্তৰ পূৰ্বাঞ্চলৰ অগ্ৰগতিও পৰিলক্ষিত হৈছে। বন আৰু পৰিৱেশ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই বিশ্ববিদ্যালয়খনৰ এই সাফল্য সন্দৰ্ভত সন্তুষ্টি প্ৰকাশ কৰিছে।

০০০০০০০

তেজপুৰ মহাবিদ্যালয়ৰ হেৰম্ব শৰ্মা স্মৃতি প্ৰেক্ষাগৃহত আজি মাই ভাৰত কেন্দ্ৰ শোণিতপুৰ জিলাৰ উদ্যোগত প্ৰধানমন্ত্ৰীৰ পোনপটীয়া ভাৰ্চুৱেল মত বিনিময় অনুষ্ঠিত হয়। অনুস্থানত স্থানীয় বিধায়ক পৃথ্বীৰাজ ৰাভা, মহাবিদ্যালয়ৰ খনৰ অধ্যক্ষ ড০ মনোজ কুমাৰ হাজৰিকা, শোণিতপুৰ জিলাৰ অতিৰিক্ত আয়ুক্ত, জিলা যুৱ বিষয়া, ক্ৰীড়া বিষয়া, উপ-আৰক্ষী অধীক্ষক প্ৰমুখ্যে বহুকেইজন ব্যক্তি আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। মহাবিদ্যালয়খনৰ অধ্যাপত ড০ দেৱজিৎ দত্তই অনুষ্ঠানত অংশ লোৱা লোক সকলক শপতবাক্য পাঠ কৰোৱায়।

০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহালে আজি ঢেকীয়াজুলি জিলা উদ্যোগ কেন্দ্ৰ ডি আই চিয়ে আয়োজন কৰা এটা অনুষ্ঠানত ক্ষুদ্ৰ চাহ খেতিয়ক সকলক চাহপাত সৰবৰাহ কৰা বাহন প্ৰদান কৰে। ক্ষুদ্ৰ চাহ খেতিয়ক সকলক ৰাজ্যৰ চাহ উদ্যোগৰ মেৰুদণ্ড আখ্যা দি তেওঁ কয় যে, তেওঁলোকক সবল কৰি তোলাৰ জৰিয়তে ৰাজ্যখন সবল হব। এই বাহনসমূহ প্ৰদান কৰি তেওঁ কয় যে, এই পদক্ষেপে সেউজ পাত সমূহ সংগ্ৰহ কৰাৰ প্ৰক্ৰিয়া দ্ৰুত তথা অধিক কাৰ্যক্ষম কৰি তোলাৰ লগতে চাহ খেতিয়ক সকলক তেওঁলোকৰ পৰিশ্ৰমৰ ফল লাভ কৰাত সহায় কৰিব।

০০০০০